**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 22**-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহলৈ বাণিজ্যিক ৰন্ধন গেছৰ অতিৰিক্ত ২০ শতাংশ আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। নতুন দিল্লীত আয়োজিত ভাৰত বিদ্যুৎ সন্মিলনৰ তৃতীয় দিনা কালি ভাৰত-আফ্ৰিকা কৌশলগত সহযোগিতা বৈঠক অনুষ্ঠিত হয়।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ৪৮ ঘণ্টাৰ ভিতৰত হৰমুজ প্ৰণালী পুনৰ মুকলি কৰি দিলে ইৰানৰ শক্তি প্ৰকল্পসমূহ ধ্বংস কৰা হ'ব বুলি সকীয়াই দিছে।

৪। তিব্বত চৰকাৰৰ নেতৃত্বগৰ্ই চীনে নতুনকৈ গ্ৰহণ কৰা জাতীয় একতাৰ প্ৰগতি আইনক তীব্ৰ ভাষাৰে গৰিহণা দিছে।

*আৰু*

৫। অনাহত সিঙে ইণ্ডিয়ান অ'পেন পি এছ এ স্কোৱাচ প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহলৈ বাণিজ্যিক ৰন্ধন গেছৰ অতিৰিক্ত ২০ শতাংশ আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ইয়াকে লৈ সামগ্ৰিক আৱণ্টন ৫০ শতাংশলৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত পাইপ যোগে ৰন্ধন গেছৰ যোগান ব্যৱস্থাৰ সম্প্ৰসাৰণৰ বাবে গ্ৰহণ কৰা সুচল সংস্কাৰৰ ভিত্তিত দিয়া ১০ শতাংশ আৱণ্টনো আছে। এই অতিৰিক্ত আৱণ্টন ৰেস্তোৰা, ধাবা, হোটেল, ঔদ্যোগিক কেণ্টিন, দুগ্ধ উৎপাদন প্ৰতিষ্ঠান, ৰাজসাহায্যযুক্ত কেণ্টিন আৰু ৰাজ্যিক বা স্থানীয় সংস্থাৰ দ্বাৰা পৰিচালিত অন্যান্য খণ্ডক অগ্ৰাধিকাৰ দিয়া হ'ব। চৰকাৰে পেট্ৰল, ডিজেল আৰু এল পি জিৰ অভাৱ নহয় বুলি নাগৰিকক আশ্বাস দিছে। পেট্ৰলিয়াম আৰু গেছ মন্ত্ৰালয়ে এটা বিবৃতিযোগে শোধনাগাৰসমূহত ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন বৃদ্ধি কৰা হৈছে বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে লগতে জনায় যে ৰন্ধন গেছৰ মজুতকৰণ আৰু ক'লা বজাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত অভিযান অব্যাহত আছে। ইফালে বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ে জনাইছে যে তেওঁলোকে জাহাজৰ আহযাহ, বন্দৰ পৰিচালনা, ভাৰতীয় নাবিকৰ সুৰক্ষা তথা সামুদ্ৰিক পথেৰে হোৱা বাণিজ্য অব্যাহত ৰখাৰ বিষয়কেইটা সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অঞ্চলটোত থকা ভাৰতীয় নাবিকসকল নিৰাপদে আছে আৰু বিগত ২৪ ঘণ্টাত ভাৰতীয় ধবজাবাহী জাহাজ কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনাৰ সন্মুখীন হোৱাৰ বাতৰি পোৱা হোৱা নাই। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পশ্চিম পাৰচ্য উপসাগৰীয় অঞ্চলত ভাৰতীয় পকাতাৰ অধীনৰ মুঠ ২২ খন

জাহাজ আৰু ৬১১ গৰাকীৰো অধিক ভাৰতীয় নাগৰিক আছে। জাহাজ চলাচল সঞ্চালকালয়ে পৰিস্থিতি নিৰীক্ষণ কৰি আছে বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

মন্ত্ৰালয়ে লগতে ৫০০ ৰো অধিক ভাৰতীয় নাগৰিকক নিৰাপদে ঘুৰাই অনা হৈছে বুলি প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে পশ্চিম এছিয়াত বসবাস কৰা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে চৰকাৰে অহৰহ কাম কৰি আছে। নাগৰিকসকলক ভ্ৰমণ, সুৰক্ষা আৰু জৰুৰীকালীন সহায় আগবঢ়াই থকা হৈছে বুলিও মন্ত্ৰালয়ে জানিবলৈ দিয়ে।

০০০০

নতুন দিল্লীত আয়োজিত ভাৰত বিদ্যুৎ সন্মিলনৰ তৃতীয় দিনা কালি ভাৰত - আফ্ৰিকা কৌশলগত অংশীদাৰীত্ব বৈঠক অনুষ্ঠিত হয়। শক্তি মন্ত্ৰী মনোহৰ লালৰ অধ্যক্ষতাত অনুঠিত এই বৈঠকত শক্তি তথা নতুন আৰু নবীকৰণযোগ্য শক্তি ৰাজ্য মন্ত্ৰী শ্ৰীপদ নায়ক হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং চেইনি, মালাৱিৰ শক্তি আৰু খনি মন্ত্ৰী ড° জিন মথাংগাৰ লগতে আফ্ৰিকীয় ৰাষ্ট্ৰ সমূহৰ কেইবাগৰাকীও মন্ত্ৰী আৰু উদ্যোগপতি উপস্থিত থাকে।

বৈঠকত সংগঠিত আৰু ব্যবস্থাকেন্দ্ৰিক অংশীদাৰীত্বৰ জৰিয়তে ভাৰত আৰু আফ্ৰিকাৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। উভয় পক্ষই নৱীকৰণযোগ্য শক্তি সম্প্ৰসাৰণ , গ্ৰীড ব্যৱস্থাৰ বিকাশ শক্তি মজুতকৰণ ব্যৱস্থাৰ উন্নীতকৰণ আৰু সামৰ্থ বিকাশ আদি খণ্ডত সহযোগিতাৰে কাম কৰাৰ বাবে সহমত প্ৰকাশ কৰে।

বৈঠকত ভাষণ দি শক্তি মন্ত্ৰী মনোহৰ লালে অৰ্থনৈতিক বিকাশ , মৰ্য্যদা নিশ্চিতকৰণ, ন ন সুযোগৰ অন্বেষণ আদিৰ বাবে শক্তি খণ্ড অত্যন্ত গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে।

০০০০

অসম বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান চলাই থকাৰ লগতে মনোনয়ন দাখিল প্ৰক্ৰিয়াও অব্যাহত ৰাখিছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। অন্তিম দিনা অগপৰ বোকাখাত সমষ্টিৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাকে ধৰি এন ডি এৰ কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব।

ৰাজ্যখনৰ প্ৰায় আটাইকেইখন জিলাৰ কেইবাটাও সমষ্টিত ইতিমধ্যে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি মুদৈবড়ীত দলীয় কৰ্মীৰ উপস্থিতিত মণ্ডল কাৰ্যালয় উদ্বোধন কৰে। এই কাৰ্যসূচীত মঙলদৈৰ বিধায়ক প্ৰশান্ত দাস, টংলাৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। একেদৰে বিজেপিৰ নেতা তথা মন্ত্ৰী পীযুষ হাজৰিকাই কালি জাগীৰোডত মণ্ডল কাৰ্যালয় মুকলি কৰে। কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে কালি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী জৌশ্ৰাং ব্ৰহ্ময়ো সমষ্টিটোৰ বিভিন্ন অঞ্চলত

নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ সময়ত বি টি আৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী ঘণশ্যাম দাস আৰু দলৰ শীৰ্ষ নেতা দয়াল শৰণীয়া উপস্থিত থাকে।

ইপিনে, বিজেপিয়ে অসম বিধানসভা নিৰ্বাচনৰ বাবে কালি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। প্ৰকাশিত তালিকা অনুসৰি দলগাঁও সমষ্টিৰ বাবে কৃষ্ণা সাহাক বিজেপিয়ে প্ৰাৰ্থীত্ব প্ৰদান কৰে। আনহাতে চিচিবৰগাঁও সমষ্টিত জীৱন গগৈক প্ৰাৰ্থীত্ব দিছে।

০০০০

বিজেপিয়ে কেৰালম বিধানসভা নিৰ্বাচনৰ বাবে ১১ গৰাকী প্ৰাৰ্থীৰ তৃতীয়খন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি টি এন সুৰেশে কোৱলম, ভি ৰাধিছে পীৰুমাড়ে, আজিমোনে মাৱেলিক্কাৰা, বিবেক গোপনে অৰুবিক্কাৰা আৰু আৰ ৰাজেশে চাৱৰা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটিয়ে এই প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰে।

১৪০ জনীয়া কেৰালম বিধানসভাৰ বাবে ৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ মে'ত ভোট গণনা কৰা হ'ব।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দক্ষ কৰ্মশক্তিক সৱল কৰি ভাৰতে কেৱল নিজৰ অৰ্থনৈতিক ভৱিষ্যত গঢ়ি তোলাই নহয়, সমগ্ৰ বিশ্বলৈও অৰিহণা যোগাইছে বুলি মন্তব্য কৰিছে। মুম্বাইত কালি অনুষ্ঠিত ৰতন টাটা মহাৰাষ্ট্ৰ ৰাজ্যিক দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তন সমাৰোহত ভাষণ দি তেওঁ এই অনুষ্ঠানক ভাৰতৰ দক্ষ মানৱ সম্পদৰ বিশ্বব্যাপি কেন্দ্ৰ হোৱাৰ বাবে এক মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰ নিৰ্মাণ আৰু বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগীক অৰিহণা যোগাবলৈ আহ্বান জনায়। উপৰাষ্ট্ৰপতিগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উদীয়মান প্ৰযুক্তিৰ ন-ন তথ্যৰ বিষয়ে অৱগত হৈ থাকিবলৈ পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে উপৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীৰাধাকৃষ্ণণৰ হৈছে প্ৰথমবাৰ মহাৰাষ্ট্ৰ ভ্ৰমণ। ৰাজ্যপাল জিষ্ণু দেৱবাৰ্মা, মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবিচ আৰু উপ মুখ্যমন্ত্ৰী সুনেত্ৰা পাৱাৰেও এই অনুষ্ঠানত ভাষণ দিয়ে। উপৰাষ্ট্ৰপতিগৰাকীয়ে এই অনুষ্ঠানতে মেধাৱী শিক্ষাৰ্থীসকলক সোণৰ পদক প্ৰদান কৰে আৰু ৩ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক সম্বৰ্ধনা জনায়।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ৪৮ ঘণ্টাৰ ভিতৰত হৰমুজ প্ৰণালী পুনৰ মুকলি কৰি নিদিলে ইৰানৰ শক্তি প্ৰকল্পসমূহ ধ্বংস কৰা হ'ব বুলি সকীয়াই দিছে। শ্ৰী ট্ৰাম্পে আজি পুৱা সামাজিক মাধ্যমযোগে ইৰানক ৪৮ ঘণ্টাৰ ভিতৰত গুৰুত্বপূৰ্ণ জলপথৰূপে চিহ্নিত হৰমুজ প্ৰণালী পুনৰ মুকলি কৰি নিদিলে নতুন আক্ৰমণৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়াই দিয়ে। তেওঁ কয়, যে আমেৰিকাই ইৰানৰ শক্তি প্ৰকল্পসমূহক আক্ৰমণৰ লক্ষ্য কৰি ল'ব আৰু দেশখনৰ সবাটোকৈ বৃহৎ প্ৰকল্পটোৰ পৰাই এই আক্ৰমণৰ আৰম্ভণি কৰা হ'ব।

শ্ৰী ট্ৰাম্পে সামাজিক মাধ্যমৰ অন্য এটা পোষ্টত কয়, যে ইৰানে চুক্তি কৰিব বিচাৰে যদিও তেওঁ এনে চুক্তিৰ পক্ষপাতি নহয়। আমেৰিকাই নিৰ্ধাৰিত সময়ৰ কেইবা সপ্তহ পূৰ্বেই নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱা বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

০০০০

তিব্বত চৰকাৰৰ নেতাসকলে চীনে নতুনকৈ গৃহীত কৰা জাতীয় একতা আৰু প্ৰগতি প্ৰসাৰ আইনক তীব্ৰ ভাষাৰে গৰিহণা দিছে। তেওঁলোকে কৈছে যে, এই আইনে তিব্বত আৰু অন্যান্য অঞ্চল সমূহত চীনৰ দমন অধিক বৃদ্ধি কৰিব। যোৱা ১২ মাৰ্চত চীনৰ ৰাষ্ট্ৰপতি  শী জিনপিঙে স্বাক্ষৰ কৰা এই আইনখন অহা পহিলা জুলাইৰ পৰা কাৰ্যকৰী হ'ব। তিব্বতৰ নেতাসকলে ইয়াক দীৰ্ঘকালীন দমনকাৰী ব্যৱস্থা বুলি অভিহিত কৰিছে যাৰ জৰিয়তে তিব্বত, উদঘোৰ অন্যান্য সংখ্যালঘু সংস্কৃতি সমূহৰ বাবে ভাবুকিৰ সৃষ্টি কৰিব। তেওঁলোকে এই আইনখনৰ ৰূপায়ণৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখাৰ লগতে মানৱাধিকাৰ আৰু সাংস্কৃতিক অধিকাৰৰ ক্ষেত্ৰত ইয়াৰ সাম্ভাব্য প্ৰভাৱ সন্দৰ্ভত উদ্ধেগ প্ৰকাশ কৰিবলৈও আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনাইছে।

০০০০

যোৱাবাৰৰ চেম্পিয়ন অনাহত সিঙে যোৱা নিশা মুম্বাইত অনুষ্ঠিত ইণ্ডিয়ান অ'পেন পি এছ্ এ স্কোৱাচ প্ৰতিযোগিতাৰ চেমিফাইনেলত সতীৰ্থ খেলুৱৈ তন্‌ভি খান্নাক ৩-১ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। অনাহত ফাইনেলত ইজিপ্তৰ হানা ম'অতাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, পুৰুষৰ ছিংগলছত ভাৰতৰ বীৰ চোটৰাণীয়ে কালি মালয়েছিয়াৰ সঞ্জয় জিভাক ৩-১ ফলাফলত পৰাভূত কৰে। বীৰ ফাইনেলত ভাৰতৰ আন এগৰাকী খেলুৱৈ অভয় সিঙৰ সন্মুখীন হ'ব। অভয় সিঙে কালি মালয়েছিয়াৰ অমিশ্বেনৰাজ চন্দ্ৰনক ৩-১ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বিচিচিআয়ে অহা জুন মাহত আয়াৰলেণ্ডত হ'বলগীয়া দুখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দলৰ ভ্ৰমণসূচী ঘোষণা কৰিছে। ভাৰত ২৬ জুনত বেলফাষ্টত প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল ২৮ জুনত একেটা স্থান অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ